জাতিৰ আৱেগ সমাজৰ বিৱেক

# দৈনিক জনমভূমি

portal : www.dainikjanambhumi.com e-paper : www.dainikjanambhumi.co.in Dainik Janambhumi

ীয়া, দ্বাবিংশতিতম বছৰ, সংখ্যা ২৪১ ● বুধবাৰ ● ২৯ বহাগ ● ১৯৪৮ শক RNI No. ASSASS/2006/16737 DAINIK JANAMBHUMI Tinsukia Wednesday May 13, 2026 ● ১৪ পৃষ্ঠা ● তিনিচুকীয়া, যোৰহাট আৰু গুৱাহাটীৰপৰা প্ৰকা

## জ্যিক সমিতিৰ

াতৰি দিওঁতা, ১২ মে' ঃ অসমৰ মুখ্যমন্ত্ৰী ৰ বাবে শপত গ্ৰহণ কৰা ড° হিমন্ত বিশ্ব মি উন্নয়ন পৰিষদৰ অসম ৰাজ্যিক সমিতিয়ে জ্ঞাপন কৰিছে। সমিতিৰ ১৩ পিঠিলৈ

## াৰণাস্ত্ৰ দেখুৱাই যোল্ল লাখ টকা



 দিওঁতা, ১২ মে' ঃ কামৰূপ জিলা কমলপুৰ ইপথৰ দলমাত এক চাঞ্চল্যকৰ ডকাইতিৰ কৰে। ঘটনাৰ বিৱৰণী মতে, কালি আবেলিৰ ৰ এজন ব্যৱসায়ীয়ে ১৩ পিঠিলৈ

## ৰক্ষীৰ জালত

# ডিব্ৰুগড়ৰ কানৈ মহাবিদ্যালয়ত স্বদেশ পটভূমিৰ ত্ৰয়োদশ মেজমেল

## কবি তপন বৰুৱাৰ কাব্যগ্ৰন্থ উন্মোচন

ডিমৌ ঃ বিশেষ প্ৰতিবেদক ১২ মে' ঃ 'অসমত বাতৰি কাকতৰ পাঠকৰ সংখ্যা দ্ৰুতগতিত হ্ৰাস পাইছে। পাঠকৰ সংখ্যা এনেদৰে কমি গ'লে এদিন ভয়াৱহ বিপদত পৰিব বৌদ্ধিক সমাজখন।' জনপ্ৰিয় মাহেকীয়া সাহিত্য আলোচনী 'স্বদেশ পটভূমি'ৰ ত্ৰয়োদশ মেজমেল ১০ মে'ত ডিব্ৰুগড়ৰ ঐতিহ্যমণ্ডিত সুৰজমল হনুমানবক্স কানৈ মহাবিদ্যালয়ৰ শ্ৰীমন্ত শংকৰদেৱ সভাকক্ষত গাম্ভীৰ্যপূৰ্ণ পৰিৱেশত অনুষ্ঠিত মেজমেলৰ মুকলি সভাত এই মন্তব্য কৰে গুৱাহাটী দূৰদৰ্শন কেন্দ্ৰৰ প্ৰাক্তন সঞ্চালক দেবেন তামুলীয়ে। তেওঁ লগতে সকীয়নি দি কয় যে অসমীয়া জাতিৰ ভৱিষ্যৎ অন্ধকাৰ। সেয়ে অসমীয়াই নিজক উপলব্ধি কৰাৰ সময় সমাগত। স্বদেশ পটভূমিৰ মুখ্য সম্পাদক ৰবীন ভূঞাৰ সঞ্চালনাত অনুষ্ঠিত সভাত কবি তপন বৰুৱাৰ কাব্যগ্ৰন্থ 'ধ্বংসৰ বিৰুদ্ধে যুদ্ধৰ বিৰুদ্ধে ইত্যাদি কবিতা' পুথি উন্মোচন কৰি ডিব্ৰুগড় সুৰুজমল কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শচীকান্ত শইকীয়াই কয় যে বৰ্তমান যুগটো ডিজিটেলৰ যুগ। এনে জটিল সময়ত তপন বৰুৱাই এখন কাব্যগ্ৰন্থ প্ৰকাশ কৰাটো প্ৰশংসনীয়। তেওঁ লগতে কয় যে মানুহৰ আৱেগ, অনুভূতি আজি ডিজিটেল মিডিয়াই গ্ৰাস কৰি পেলাইছে। অনুষ্ঠানত সাহিত্য



সমালোচক তথা ডিব্ৰুগড় কানৈ সুৰজমল মহাবিদ্যালয়ৰ অধ্যাপক ড° মৃদুল শৰ্মা, কবি বিজু শৰ্মা, অৱসৰপ্ৰাপ্ত অধ্যাপক ড° মীনা দেৱী বৰুৱা, লেখক ৰুদ্ৰ গগৈ উপস্থিত থাকি বক্তব্য আগবঢ়ায়। সঞ্চালক ৰবীন ভূঞাই কয় যে তপন বৰুৱাৰ নৱতম কাব্যগ্ৰন্থত সমকালীন সমাজৰ বাস্তৱ ছবিখন সুন্দৰ ৰূপত ফুটি উঠিছে। ইফালে সভাৰ পূৰ্বে বন্তি প্ৰজ্বলন কৰে গুৱাহাটী দূৰদৰ্শন কেন্দ্ৰৰ প্ৰাক্তন সঞ্চালক দেবেন তামুলীয়ে। কবি বিতুমণি ফুকনে আঁত ধৰা অনুষ্ঠানত আদৰণী ভাষণ দিয়ে কবি মীৰা দত্তই। ইয়াৰ পাছতে আবৃত্তিকাৰ স্বপ্না দেৱী নাথে তপন বৰুৱাৰ এটি কবিতা আবৃত্তি কৰে। আনহাতে, সভাৰ অন্তত সঞ্চালক ৰবীন ভূঞা আৰু ড° মৃদুল শৰ্মাৰ সৈতে এক অন্তৰংগ আলাপ অনুষ্ঠিত হয়। অন্তৰংগ আলাপ অনুষ্ঠানত কবি অজিত বড়া, ৰাণু গগৈ বৰুৱা, খগেন ভূঞা, প্ৰদীপ গগৈ, সুকুমাৰ চেতিয়া, নিৰ্মল বৰুৱা, নিভা চেতিয়া, ৰূপালী হাজৰিকা, উজ্জ্বল চক্ৰৱৰ্তী, ৰুমী দত্ত, বিতোপন চবৰ, বিজয়লক্ষ্মী বৰুৱা, অঞ্জলি চমুৱাকে ধৰি শতাধিক লোকে অংশগ্ৰহণ কৰে। কবি বিতুমণি ফুকনে তপন বৰুৱাৰ এটি কবিতা পাঠ কৰি সকলোকে মুগ্ধ কৰে। ইফালে মীৰা দত্ত আৰু সংগীবৃন্দই ড° ভূপেন হাজৰিকাৰ 'মানুহে মানুহৰ বাবে...' গীতটো পৰিৱেশন কৰে। অনুষ্ঠানৰ শলাগৰ শৰাই আগবঢ়ায় কবি নৱনীতা শ্যাম উৰঙীয়াই।

## এ পি প্ৰতিষ্ঠা নাৰ্ছ

লাহোৱাল ঃ নিজা স দিৱস দেশৰ ভিন্ন প্ৰা ডিব্ৰুগড়তো পাল পেৰামেডিকেল এণ্ড দিৱস। শতাধিক ধাত্ৰী মানৱ সেৱিকা ফ্লোৰে অৱদানক শ্ৰদ্ধাৰে স্মৰ ফ্লোৰেন্স নাইটিংগেল মাল্যাৰ্পণ কৰে। অনু মমবাতি জ্বলাই মানৱ ধাত্ৰী গৰাকীয়ে যুদ্ধৰ মানৱসেৱা আগবঢ়াই সভাত- প্ৰতিষ্ঠানখন দেৱী, সাংবাদিক প্ৰশা মান্য ব্যক্তি, শিক্ষক-শি নাৰ্ছ বা ধাত্ৰীসকলে স লগতে এই অনুষ্ঠানতে